# অধ্যক্ষৰ বাৰ্তা

মৰমৰ ছাত্ৰ-ছাত্ৰীসকল, ইতিমধ্যে আমাৰ কলেজ-সপ্তাহ আৰম্ভ হৈছে। এই অনুষ্ঠানটো আমাৰ শাৰীৰিক আৰু মানসিক উৎকৰ্ষ সাধনৰ দিশৰ পৰা অতি গুৰুত্বপূৰ্ণ। সম্পূৰ্ণ ব্যক্তিত্ব প্ৰাপ্তিৰ বাবে প্ৰত্যেকজন ব্যক্তিয়েই শাৰীৰিক আৰু মানসিকভাৱে শক্তিশালী হোৱা উচিত। পঢ়া-শুনা কৰাৰ উপৰিও গীত-মাত, খেলা-ধূলা, বক্তৃতা প্ৰদানৰ দক্ষতা, শিল্প কলা ইত্যাদি প্ৰতিটো বিষয়ত আমাৰ ছাত্ৰ-ছাত্ৰীসকলে সক্ৰিয়ভাৱে সহযোগ তথা অংশগ্ৰহণ কৰা উচিত। কিয়নো এই সকলোবোৰে ব্যক্তিৰ ব্যক্তিত্ব বিকাশত প্ৰভূত অৰিহণা যোগায়। আমেৰিকাৰ দৰে উন্নত দেশত উচ্চ শিক্ষা লাভৰ বাবে যাব বিচৰা ছাত্ৰ-ছাত্ৰীসকলৰ পৰা  তেওঁলোকৰ পঢ়া-শুনাৰ উপৰিও আন কি কি বিষয়ত বাহিৰা অৰ্হতা আছে, সেই বিষয়ে কৰ্তৃপক্ষই  জানিব বিচাৰে। আমেৰিকাৰ দৰে দেশবোৰত সেই বাবে খেলা-ধূলা, শিল্প কলা ইত্যাদি বিষয়বোৰ অতি গুৰুত্ব সহকাৰে লোৱা হয়। খেলা-ধূলাই কেৱল শাৰীৰিক-মানসিক উৎকৰ্ষ সাধনতেই যে অৰিহণা যোগায় এনে নহয়, ই একতা, ভাতৃত্ববোধ, পাৰস্পৰিক সহযোগিতা, সংহতিৰ লগতে দলৱদ্ধভাৱে কাম কৰিবলৈ আমাক শিকায়। সকলোতকৈ ডাঙৰ কথা হ'ল খেলে মানুহক হাৰি হাৰি জিকিবলৈ শিকায়। সেয়েহে আমি আশা কৰিছোঁ আমাৰ ছাত্ৰ-ছাত্ৰীসকলে কলেজ-সপ্তাহৰ সকলোবোৰ অনুষ্ঠানতে সক্ৰিয়ভাৱে সহযোগ কৰি নিজৰ লগতে কলেজৰ নাম বিশ্ব-দৰবাৰত জিলিকাই তোলে যেন।

**ড$^{O}$ প্ৰকাশ শৰ্মা**